জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৩৪/২০২১**

# মেঘালয়ৰ মুখ্যমন্ত্ৰীৰ সৈতে ভিডিঅ' কনফাৰেন্সৰ জৰিয়তে সাম্প্ৰতিক ক'ভিড পৰিস্থিতি সম্পৰ্কত মতি-বিনিময় কৰিলে মুখ্যমন্ত্ৰী ড° শৰ্মাই

## অসমে মেঘালয়লৈ অবিৰতভাৱে ১৬ মেট্ৰিকটন অক্সিজেন যোগান ধৰি যাব

## মেঘালয়ৰ মাজেৰে বৰাক উপত্যকালৈ অত্যাৱশ্যকীয় সামগ্ৰীৰ সৰবৰাহ বাধাহীনভাৱে চলাৰ দিশত প্ৰয়োজনীয় সহযোগিতা আগবঢ়োৱাৰ বাবে মুখ্যমন্ত্ৰী ড° শৰ্মাৰ অনুৰোধ

**দিছপুৰ, ১৮ মে' ঃ** ক'ভিড-১৯ অতিমাৰীৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰত মেঘালয়লৈ অসমৰ সহযোগিতা তথা এই সংক্ৰমণ ৰোধ কৰাৰ দিশত উমৈহতীয়া প্ৰচেষ্টা অব্যাহত ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মেঘালয়ৰ মুখ্যমন্ত্ৰী কন্‌ৰাড ছাংমাক কয় যে অসমৰ অক্সিজেন উৎপাদন প্লাণ্ট আৰু অক্সিজেন মজুত কৰা স্থানৰ পৰা বৰ্তমানে মেঘালয়লৈ ১২ ৰ পৰা ১৬ মেট্ৰিকটন পৰিমাণৰ মেডিকেল অক্সিজেন যোগান ধৰাটো বিৰতি নোহোৱাকৈ অব্যাহত থাকিব।

আজি ভিডিঅ' কনফাৰেন্সৰ জৰিয়তে অসম আৰু মেঘালয়ৰ সাম্প্ৰতিক ক'ভিড পৰিস্থিতি সম্বন্ধে মেঘালয়ৰ মুখ্যমন্ত্ৰী কন্‌ৰাড ছাংমাৰ সৈতে হোৱা মত-বিনিময়ত মুখ্যমন্ত্ৰী ড° শৰ্মাই এইদৰে কয়। এই প্ৰসংগত মুখ্যমন্ত্ৰী ড° শৰ্মাই মেঘালয়ৰ মুখ্যমন্ত্ৰীগৰাকীক জনায় যে অৰশ্যকতা অনুযায়ী অসমে আমিনগাঁও আৰু বঙাইগাঁৱৰ পৰা প্ৰতিদিনে ১৬ মেট্ৰিকটনকৈ অক্সিজেন মেঘালয়ক যোগান ধৰি থাকিব। উত্তৰ-পূৰ্বাঞ্চলৰ ক'ভিড সংক্ৰমণ ৰোধ কৰাৰ দিশত অসমৰ বৃহৎ ভূমিকা থকাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই দৰকাৰ সাপেক্ষে কিছু সংখ্যক অক্সিজেন চিলিণ্ডাৰ মেঘালয়ক প্ৰদানৰ বাবে সাজু কৰি ৰখা হ'ব বুলি কয়।

আলোচনাকালত দুয়োগৰাকী মুখ্যমন্ত্ৰীয়ে অক্সিজেনৰ ভৰালৰ যথোচিত ব্যৱহাৰ তথা পৰিবহনৰ সা-সুবিধাৰে অসমে উত্তৰ-পূৰ্বাঞ্চলৰ অক্সিজেন হাব হিচাপে সেৱা আগবঢ়োৱাৰ দিশত সহমত পোষণ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই  লগতে কয় যে অসমে লিকুইড অক্সিজেন ৰাজ্যৰ বাহিৰত থকা লিকুইড মেডিকেল অক্সিজেন উৎপাদন গোটৰ পৰা সংগ্ৰহ কৰি ৰাজ্যখনত থকা ভৰালত মজুত কৰিব যাতে প্ৰয়োজন সাপেক্ষে উত্তৰ-পূৰ্বাঞ্চলৰ অন্যান্য ৰাজ্যসমূহে এই অক্সিজেন লাভ কৰিব পাৰে।

মেঘালয়ৰ মাজেৰে ব্ৰহ্মপুত্ৰ উপত্যকাৰ পৰা বৰাক উপত্যকালৈ মালবাহী তথা যাত্ৰীবাহী যান-বাহনসমূহ যাতে সুচলভাৱে চলাচল কৰিব পাৰে সেইটো নিশ্চিত কৰাৰ পদক্ষেপ ল'বলৈ মুখ্যমন্ত্ৰী ড°

শৰ্মাই মেঘালয়ৰ মুখ্যমন্ত্ৰীগৰাকীক অনুৰোধ জনায়। উল্লেখ যে ৫ হাজাৰ সক্ৰিয় ক'ভিড ৰোগীৰে মেঘালয়ৰ কিছু সংখ্যক অঞ্চলত সম্পূৰ্ণ লকডাউন চলি আছে। ইয়াৰ পৰিপ্ৰেক্ষিতত মেঘালয় চৰকাৰে বৰাক উপত্যকালৈ অত্যাৱশ্যকীয় সামগ্ৰীৰ যান-বাহনসমূহ যাতে বাধা নোহোৱাকৈ যাব পাৰে সেই সম্পৰ্কত নিশ্চিতি প্ৰদান কৰিছে।

মত-বিনিময়ৰ সময়ত মেঘালয়ৰ মুখ্যমন্ত্ৰীয়ে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক মেঘালয়ৰ বাহিৰত কোভাক্সিনৰ প্ৰথমপালি লোৱা প্ৰদেশখনৰ কিছু সংখ্যক ব্যক্তিৰ এই ভেকচিনৰ দ্বিতীয়পালি গ্ৰহণ কৰাত সহায়ক হোৱাকৈ কিছু পালি ভেকচিন যোগান ধৰাৰ বাবে অনুৰোধ জনায়। ইয়াৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰী ড° শৰ্মাই অসমে মেঘালয়লৈ ১০০ পালি কোভাক্সিন সমপৰিমাণৰ ক'ভিছিল্ড মেঘালয়ৰ পৰা লাভ কৰাৰ বিনিময়ত প্ৰদান কৰিব বুলি আশ্বাস প্ৰদান কৰে।

মুখ্যমন্ত্ৰীয়ে ভিডিঅ' কনফাৰেন্সৰ জৰিয়তে মেঘালয়ৰ মুখ্যমন্ত্ৰীৰ সৈতে মত-বিনিময়ৰ সময়ত ৰাজ্য চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

**সুঃদঃ / বঃভাঃ**
**১৮/০৫/২০২১**